দেওবৰীয়া
দৈনিক জনমভূমি
ortal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi
ম বছৰ, সংখ্যা ১৫ ● দেওবাৰ ● ২ আহিন ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Sunday September 20, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা

জুবিন গাৰ্গৰ গীতেৰে মুখৰিত কানৈ মহাবিদ্যালয় চৌহদ

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৯ ছেপ্টেম্বৰ ঃ শিল্পী জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকীত ডি এইচ এছ কানৈ মহাবিদ্যালয়ত (স্বায়ত্তশাসিত) আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় 'সুৰ সম্ৰাটলৈ সুৰৰ অৰ্ঘ্য' শীৰ্ষক এক বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আয়োজিত অনুষ্ঠানত প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ গীতেৰে মুখৰিত হৈ পৰে মহাবিদ্যালয় চৌহদ। পুৱা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক ড° মৃদুল শৰ্মা, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন আৰু কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য তথা সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈ উপস্থিত থাকি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আৰম্ভণিতে মহাবিদ্যালয় চৌহদত নাহৰ পুলি ৰোপণ কৰে পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক ড° মৃদুল শৰ্মাই। ছাত্ৰ আকাশ কোঁৱৰ আৰু ছাত্ৰী কাশ্যাপ্ৰিয়া দুৱৰাৰ সঞ্চালনাত অনুষ্ঠিত হয় 'সুৰৰ অৰ্ঘ্য' শীৰ্ষক সাংস্কৃতিক অনুষ্ঠান। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ জনপ্ৰিয় গীত পৰিৱেশন কৰি প্ৰিয় শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিৱেদন কৰে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জুবিন গাৰ্গৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত বিচাৰক হিচাপে উপস্থিত থাকে লোকশিল্পী ভুৱন গগৈ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সংগীত বিষয়ৰ গৱেষক ছাত্ৰী বনশ্ৰী গোস্বামী। প্ৰতিযোগিতাত ছাত্ৰী আকাংক্ষা প্ৰাপ্তিয়ে প্ৰথম, আস্থা তামুলীয়ে দ্বিতীয় আৰু তনুশ্ৰী শইকীয়াই তৃতীয় স্থান লাভ কৰে। আনহাতে, ছাত্ৰ নিতিশ বৰুৱাই বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

বসন্ত কুমাৰ শৰ্মাৰ ৰচনাৱলী ঘৰত সংৰক্ষণ কৰাটো অসমীয়াৰ এক জাতীয় দায়িত্ব। তেওঁ লগতে কয়, পাশ্চাত্য সাহিত্যৰ অধ্যাপকজনে নিৰলস অথচ নীৰৱে দীৰ্ঘদিন ধৰি সাহিত্যৰ প্ৰতি যি সেৱা আগবঢ়াই আহিছে সেয়া এক বিৰল উদাহৰণ। তেওঁ কয় যে জনসমাগমৰ পৰা আঁতৰত থাকি নীৰৱে সাহিত্য চৰ্চা কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপকজনে অসমীয়া অংকীয়া নাটৰ বিষয়েও তথ্য আৰু যুক্তিনিষ্ঠভাৱে এলানি কাম কৰি থৈছে। ডিব্ৰুগড়

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এন এছ এছ অভিমুখীকৰণ কাৰ্যসূচী

লাহোৱাল ঃ নিজা সংবাদদাতা, ১৯ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এন এন এছ ইউনিটৰ উদ্যোগত নতুনকৈ নামভৰ্তি কৰা স্বেচ্ছাসেৱকসকলৰ বাবে ১৯ ছেপ্টেম্বৰত এন এছ এছ অভিমুখীকৰণ কাৰ্যসূচী বিশ্ববিদ্যালয়ৰ বিষ্ণু ৰাভা ৰংগমঞ্চত অনুষ্ঠিত হয়। কাৰ্যসূচীত প্ৰায় ২০০গৰাকী এন এছ এছ স্বেচ্ছাসেৱকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ আৰম্ভণি হয় জনপ্ৰিয় শিল্পী তথা অসমৰ হৃদস্পন্দন জুবিন

ডিব্ৰুগড়ত জুবিন গাৰ্গৰ